# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 07-01-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***<u>Headlines</u>***

১। নেপাল-তিববত সীমান্তত আজি পুৱা হোৱা ভূমিকম্পত নিহত লোকৰ সংখ্যা ৯৫ লৈ বৃদ্ধি পাইছে।

২। ডিমা হাচাও জিলাৰ উমৰাংছ'ৰ কয়লা খনিত কালিৰে পৰা আৱদ্ধ হৈ থকা শ্ৰমিকসকলৰ উদ্ধাৰ অভিযান অব্যাহত আছে।

৩। ৭০ জনীয়া দিল্লী বিধানসভাৰ নিৰ্বাচন ৫ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব আৰু ৮ ফেব্ৰুৱাৰীত ভোটগণনা কৰা হ'ব।

৪। ২০২৪-২৫ বিত্তীয় বৰ্ষত দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ হাৰ ৬ দশমিক ৪ শতাংশ হোৱাৰ সম্ভাৱনা আছে। ***আৰু***

৫। কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী ড° মনসুখ মন্দাভিয়াই আজি নতুন দিল্লীত অলিম্পিক অভিযান কোষৰ ১৫২ সংখ্যক বৈঠকত অধ্যক্ষতা কৰে।

০০০

নেপাল-তিববত সীমান্তত আজি পুৱা হোৱা ভূমিকম্পত নিহত লোকৰ সংখ্যা ৯৫ লৈ বৃদ্ধি পাইছে। চীনৰ চৰকাৰী সংবাদ মাধ্যমৰ বাতৰি অনুসৰি ৰিখটাৰ স্কেলত ৭ দশমিক ১ প্ৰাবল্যৰ এই ভূইকপত প্ৰায় ১৩০ জন লোক আহত হৈছে। এই ভূমিকম্পৰ অভিকেন্দ্ৰ নেপাল সীমান্তৰ ওচৰৰ তিববত স্বায়ত্ত শাসিত অঞ্চলৰ জিজাঙত ভূপৃষ্ঠৰ পৰা ১০ কিলোমিটাৰ গভীৰতাত আছিল বুলি জানিব পৰা গৈছে। ভূমিকম্পৰ ফলত জিজাং চহৰত সৰ্বাধিক ক্ষতি হোৱা বুলি কোৱা হৈছে। টংলাই গাওঁ, চাংচুওত নগৰত ভালেসংখ্যক বাসগৃহৰ ক্ষতি হৈছে। উচ্চ প্ৰাবল্যৰ ভূইকপটোৰ পাছতে অঞ্চলটোত আন দুটা ভূমকিম্পৰ জোকাৰণি অনুভূত হয়। ভাৰতৰ অসম, চিকিম, পশ্চিমবংগ, বিহাৰৰ ঠাই বিশেষেও এই ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। অৱশ্যে ভূমিকম্পৰ ফলত ভাৰতত এতিয়ালৈকে ধন জন হানি হোৱাৰ বাতৰি পোৱা হোৱা নাই।।

০০০

ডিমা হাচাও জিলাৰ উমৰাংছ'ৰ কয়লা খনিত কালিৰে পৰা আৱদ্ধ হৈ থকা শ্ৰমিকসকলৰ উদ্ধাৰ অভিযান অব্যাহত আছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ ৩০ জনীয়া আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ ৮ জনীয়া দলৰ লগতে নৌ সেনাৰ ডুবাৰুসকলে পূৰ্ণগতিত উদ্ধাৰ অভিযান চলাই আছে। উদ্ধাৰ অভিযানত নিয়োজিত দলে প্ৰকাশ কৰা অনুসৰি খনিটোৰ ভিতৰৰ পানী প্ৰায় ১০০ ফুটলৈ বৃদ্ধি পাইছে আৰু কেইবামিটাৰ দ পানীত আৱদ্ধ হৈ পৰা শ্ৰমিককেইজনক জীৱিত অৱস্থাত উদ্ধাৰ কৰাৰ সম্ভাৱনা প্ৰায় নিৰ্বাপিত হৈছে। এই ঘটনাৰ তদন্তৰ বাবে অসম আৰক্ষীয়ে খনি আৰু খনিজ আইন ১৯৫৭ৰ অধীনত অৱহেলাজনিত কাৰণত প্ৰাণহানি হোৱাৰ অভিযোগত উমৰাংছ' আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। এই গোচৰ অনুসৰি ইতিমধ্যে পুনিছ নুনিছা নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশমৰ্মে খনি আৰু খনিজ বিভাগৰ মন্ত্ৰী কৌশিক ৰায় **তিন**

**কিলো**-ৰ কয়লাখনিত উপস্থিত হৈ উদ্ধাৰকাৰ্যৰ তদাৰক কৰিছে। ডিমা হাচাওৰ আন কেইবাগৰাকীও ৰাজনৈতিক নেতাৰ লগতে উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু আন উচ্চপদস্থ অসামৰিক বিষয়াসকলেও ঘটনাস্থলীত বাহৰ পাতি পৰিস্থিতি নিৰীক্ষণ কৰিছে।

ooo

৭০ জনীয়া দিল্লী বিধানসভাৰ নিৰ্বাচন ৫ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব আৰু ৮ ফেব্ৰুৱাৰীত ভোটগণনা কৰা হ'ব। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে আজি নতুন দিল্লীত নিৰ্বাচনৰ সূচী প্ৰকাশ কৰি কয়, যে দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে ১০ জানুৱাৰীত অধিসূচনা জাৰি কৰা হ'ব আৰু ১৭ জানুৱাৰী মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন হ'ব। তেওঁ কয়, যে নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে ১৩ হাজাৰ ৩৩ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হ'ব। এইবাৰৰ নিৰ্বাচনত দিল্লীৰ এক কোটি ৫৫ লাখৰো অধিক ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিব।

ই ভি এম জালিয়াতিৰ অভিযোগ অগ্ৰাহ্য কৰি মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে কয়, যে এই যন্ত্ৰ সম্পূৰ্ণৰূপে সুৰক্ষিত আৰু ভোটদানৰ তথ্য সলনি কৰাটো অসম্ভৱ।

বৰ্তমান দিল্লী বিধানসভাৰ কাৰ্যকাল ২৩ ফেব্ৰুৱাৰীত অন্ত পৰিব। ২০২০ চনৰ বিধানসভা নিৰ্বাচনত আম আদমী পাৰ্টীয়ে ৬২ খন আসন লাভ কৰিছিল আৰু বিজেপিয়ে ৮ খন আসন হস্তগত কৰিবলৈ সমৰ্থ হৈছিল। সেইবাৰৰ নিৰ্বাচনত কংগ্ৰেছে এখনো আসন লাভ কৰা নাছিল।

ooo

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কৈছে যে, ভাৰতপোল পোৰ্টেল আৰু নতুন তিনিওখন ফৌজদাৰী আইনে বিদেশলৈ পলায়ন কৰা অপৰাধীসকলক কৰায়ত্ত কৰাৰ ক্ষেত্ৰত শক্তিশালী ব্যৱস্থাৰূপে কাম কৰিব। আজি নতুন দিল্লীত ইণ্টাৰপোলৰ আৰ্হিত কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চি বি আয়ে প্ৰস্তুত কৰা ভাৰতপোল নামৰ প'ৰ্টেলটো মুকলি কৰি গৃহমন্ত্ৰীমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে।

এই প'ৰ্টেলটোৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় অপৰাধ সম্পৰ্কীয় আৰক্ষী সংস্থা অৰ্থাৎ ইণ্টাৰপোলৰ পৰা লাভ কৰা সকলো সাৱধানতামূলক আৰু সতৰ্কতামূলক জাননী সুশৃংখলিতৰূপত ৰখাৰ ব্যৱস্থা কৰা হ'ব। তদুপৰি ইয়াৰ জৰিয়তে ইণ্টাৰপোলে জাৰি কৰা ৰে'ড কৰ্ণাৰ নটিচকে ধৰি আন অপৰাধ সংক্ৰান্তীয় জাননী ভাৰতত জাৰি কৰাৰ ক্ষেত্ৰত সুবিধা হ'ব আৰু ইণ্টাৰপোলৰ সৈতে ভাৰতীয় অনুসন্ধানকাৰী সংস্থাসমূহৰ যোগাযোগ সুদৃঢ় হ'ব। শ্ৰীশ্বাহে কয়, যে নিচাযুক্ত দ্ৰব্য, অস্ত্ৰ-শস্ত্ৰ আৰু মানৱৰ অবৈধ সৰবৰাহ, সন্ত্ৰাসবাদ সম্পৰ্কীয় অপৰাধৰ ক্ষেত্ৰত ইণ্টাৰপোলে দিয়া তথ্য ভাৰতপোলৰ জৰিয়তে অধিক সুচাৰুৰূপে বিশ্লেষণ কৰিব পৰা যাব। উল্লেখযোগ্য যে, দেশত ক্ৰমাৎ বৃদ্ধি তথ্য প্ৰযুক্তিজনিত অপৰাধ, বিত্তীয় অপৰাধ, অনলাইন অপৰাধ, পৰিকল্পিত অপৰাধ, নিচাযুক্ত দ্ৰব্য, অস্ত্ৰ-শস্ত্ৰ আৰু মানৱৰ অবৈধ সৰবৰাহ আদিৰ সঠিক তথ্য লাভৰ বাবে এই ভাৰতপোল প'ৰ্টেল মুকলি কৰা হৈছে।

ooo

ভাৰত আৰু মালয়েছিয়াই সন্ত্ৰাসবাদ আৰু মৌলবাদ প্ৰতিহত কৰা, চাইবাৰ সুৰক্ষা, প্ৰতিৰক্ষা উদ্যোগ আৰু সামুদ্ৰিক সুৰক্ষা সহযোগিতা সুদৃঢ় কৰাৰ বাবে সন্মতি প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি অনুষ্ঠিত ভাৰত মালয়েছিয়া সুৰক্ষা আলোচনাৰ সময়ত দুয়োখন দেশে গুৰুত্বপূৰ্ণ খনিজ আৰু ৰেয়াৰ আৰ্থছ অৰ্থাৎ বৃহৎ পৰিমাণত পাবলৈ বিৰল পৰ্যাবৃত্ত তালিকাৰ ১৭ বিধ উপাদান সম্পৰ্কীয় সহযোগিতা ত্বৰান্বিত কৰাৰ উপায় অন্বেষণ কৰে। ৰাষ্ট্ৰীয়

সুৰক্ষা উপদেষ্টা অজিত দোভাল আৰু মালয়েছিয়াৰ ৰাষ্ট্ৰীয় সুৰক্ষা পৰিষদৰ সঞ্চালক প্ৰধান ৰাজা দাটো নুছিৰৱান বীন জয়নাল আবিদিনে ভাৰত আৰু মালয়েছিয়াৰ এই প্ৰথম সুৰক্ষা আলোচনাত সহ অধ্যক্ষতা কৰে। আলোচনাত দুয়োপক্ষই পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আন্তৰাষ্ট্ৰীয় বিষয় আৰু আঞ্চলিক সুৰক্ষা বাতাবৰণ সম্পৰ্কে মত বিনিময় কৰে বুলি বিদেশ মন্ত্ৰালয়ে এটা বিবৃতিযোগে প্ৰকাশ কৰিছে। বৈঠকত সুৰক্ষা, প্ৰতিৰক্ষা আৰু সামুদ্ৰিক ক্ষেত্ৰত বৰ্তমানৰ দ্বিপাক্ষিক সহযোগিতাক লৈও আলোচনা কৰা হয়।

০০০

২০২৪-২৫ বিত্তীয় বৰ্ষত দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ হাৰ ৬ দশমিক ৪ শতাংশ হোৱাৰ সম্ভাৱনা আছে। পৰিসংখ্যা আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয়ৰ ৰাষ্ট্ৰীয় পাৰিসাংখ্যিক কাৰ্যালয়ে চলিত বিত্তীয় বৰ্ষৰ বাবে জাৰি কৰা বাৰ্ষিক মুঠ ঘৰুৱা উৎপাদন সম্পৰ্কীয় প্ৰথম পূৰ্বানুমান অনুসৰি এই সময়ছোৱাত অভিহিত মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ হাৰ ৯ দশমিক ৭ শতাংশ হোৱাৰ সম্ভাৱনা আছে।

০০০

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি নতুন দিল্লীৰ ৰেল ভৱনত কেন্দ্ৰীয় চৰকাৰৰ ২০২৫ বৰ্ষৰ কেলেণ্ডাৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। এইবাৰৰ কেলেণ্ডাৰৰ বিষয়বস্তু হৈছে জনসাধাৰণৰ অংশগ্ৰহণেৰে জনকল্যাণ। উন্মোচনী অনুষ্ঠানত শ্ৰীবৈষ্ণৱে কয়, যে এই কেলেণ্ডাৰখন চৰকাৰৰ সবকা কা সাথ, সবকা বিকাশ মূল মন্ত্ৰৰ সৈতে সামঞ্জস্য ৰাখি প্ৰস্তুত কৰা হৈছে। কেলেণ্ডাৰখনৰ প্ৰতিটো পৃষ্ঠাতে প্ৰযুক্তি, কৃষক আৰু কৃষিখণ্ড, দৰিদ্ৰতা দূৰীকৰণ, মহিলা সৱলীকৰণ, আন্তঃগাথনি, স্বচ্ছতা আৰু পৰিষ্কাৰ পৰিচ্ছন্নতাৰ দৰে ক্ষেত্ৰসমূহত চৰকাৰে গ্ৰহণ কৰা জনকল্যাণমুখী পদক্ষেপসমূহৰ অনন্য প্ৰভাৱৰ ওপৰত আলোকপাত কৰা হৈছে। অনুষ্ঠানত তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যমন্ত্ৰী এল মুৰুগনো উপস্থিত থাকে।

০০০

কেন্দ্ৰীয় চৰকাৰে বিচাৰাধীন কয়েদীসকলক সকাহ প্ৰদান উদ্দেশ্যে ২০২৩ চনত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ৪৭৯ নম্বৰ ধাৰাৰ ব্যৱস্থাসমূহ ৰূপায়ণ কৰিবলৈ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ প্ৰতি আহ্বান জনাইছে। এই ধাৰাত কাৰাগাৰত বিচাৰৰ বাবে অপেক্ষা কৰি থকা কয়েদীৰ সংখ্যা হ্ৰাস কৰাৰ বাবে বিচাৰাধীন কয়েদীৰ মুক্তিৰ আবেদন চালি জাৰি চোৱাৰ ব্যৱস্থা আছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে এই সন্দৰ্ভত সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য সচিবসকললৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। এই নতুন আইন অনুযায়ী প্ৰথমবাৰৰ বাবে অপৰাধত লিপ্ত হোৱা সকলক সৰ্বাধিক শাস্তিৰ এক তৃতীয়াংশ ম্যাদ সম্পূৰ্ণ কৰাৰ পাছত চৰ্ত সাপেক্ষে মুক্তি দিব পৰা যায়।

০০০

কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী ডঃ মনসুখ মন্দাভিয়াই আজি নতুন দিল্লীত অলিম্পিক অভিযান কোষৰ ১৫২ সংখ্যক বৈঠকত অধ্যক্ষতা কৰে। বৈঠকৰ অন্তত ডঃ মন্দাভিয়াই দেশে ২০২৮ চনৰ অলিম্পিকৰ বাবে ইতিমধ্যে প্ৰস্তুতি আৰম্ভ কৰিছে বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। আজিৰ বৈঠকত দেশৰ প্ৰতিভাবান যুৱ এথলীটসকলক চিনাক্ত কৰি তেওঁলোকৰ প্ৰতিভা বিকাশৰ বাবে পৰ্যাপ্ত পৰিমাণে ৰাষ্ট্ৰীয় পৰ্যায়ৰ মঞ্চ প্ৰদান কৰি তেওঁলোকক নিজ নিজ খেলৰ শিতানৰ বাবে সাজু কৰি তোলা সন্দৰ্ভত আলোচনা কৰা হয় বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০

পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে প্ৰধানমন্ত্ৰী উজ্বলা আঁচনিৰ অধীনত ১০ কোটি ৩০ লাখৰো অধিক সংযোগ প্ৰদান কৰা হৈছে বুলি প্ৰকাশ কৰিছে। মন্ত্ৰালয়ৰ ২০২৪ ৰ বৰ্ষান্ত সমীক্ষা অনুসৰি ২০১৪ চনৰ এপ্ৰিলৰ পৰা ৰন্ধন গেছৰ সংযোগৰ সংখ্যা ১৪ কোটি ৫২ লাখৰ পৰা প্ৰায় ৩২ কোটি ৮৩ লাখলৈ বৃদ্ধি পাইছে। সেই অনুসৰি এনে সংযোগ এশ শতাংশ বৃদ্ধি পাইছে। প্ৰাকৃতিক গেছৰ পাইপলাইনৰ দৈৰ্ঘ্যও ২০১৪ চনৰ ১৫ হাজাৰ ৩০০ কিলোমিটাৰৰ পৰা যোৱা বছৰ প্ৰায় ২৫ হাজাৰ কিলোমিটাৰলৈ বৃদ্ধি পায়।

০০০

সমাপ্ত